**NSD NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 09-08-2025

**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

::::::::::::::::::::::::::::::::::::::::::

oooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাকৰি ঘটনাৰ বিপ্লৱীসকলক শ্ৰদ্ধাৰে সুঁৱৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে কাইলৈ বেংগালুৰুত পতাকা জোকাৰি তিনিখন বন্দেভাৰত এক্সপ্ৰেছ ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

৩। দেশৰ প্ৰতিৰক্ষা ৰপ্তানি বিগত বৰ্ষত ২৩ হাজাৰ কোটি টকা হয় আৰু অনাগত তিনি বছৰৰ ভিতৰত ইয়াৰ পৰিমাণ দুগুণ হোৱাৰ সম্ভাৱনা আছে।

৪। দেশজুৰি আজি ভাতৃ-ভগ্নীৰ মাজত পৱিত্ৰ বন্ধনৰ উতসৱ ৰাখী উদযাপন কৰা হয়।

***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কোকৰাঝাৰত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন গুৰুত্বপূৰ্ণ খেলত অসমৰ বড়োলেণ্ড এফ চিয়ে পাঞ্জাব এফ চিক ১-০ গ’লত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাকৰি ঘটনাৰ বিপ্লৱীসকলক শ্ৰদ্ধাৰে সুঁৱৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে ১০০ বছৰ পূৰ্বে আজিৰ এই দিনটোত ঔপনিৱেশিক ইংৰাজ শাসনৰ বিৰুদ্ধে দেশপ্ৰেমী ভাৰতীয়সকলৰ সাহসক প্ৰতিফলিত কৰে। তেওঁ কয়, যে জনসাধাৰণৰ ধনৰাশি ঔপনিবেশিক সাম্ৰাজ্য বিস্তাৰ কৰাৰ বাবে ব্যৱহাৰ কৰা

কাৰ্যত জনসাধাৰণ ক্ষুণ্ণ হৈছিল। প্ৰধানমন্ত্ৰীয়ে কয়, যে সেই ঘটনাৰ লগত জড়িত সাহসী লোকসকলক দেশবাসীয়ে সদায় স্মৰণ কৰিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে দেশৰ স্বাধীনতা সংগ্ৰামত কাকৰি ৰেল ঘটনাটো সাহস, আত্মত্যাগ আৰু দেশপ্ৰেমৰ প্ৰতীক হিচাপে চিহ্নিত হৈ ৰৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে ১৯২৫ চনৰ ৯ আগষ্টত ৰামপ্ৰসাদ বিছমিলি, চন্দ্ৰশেখৰ আজাদ, আৰু আছফাকুল্লা খান একত্ৰিত হৈ বৃটিছৰ লুণ্ঠন ৰাজৰ বিৰুদ্ধে বিপ্লবৰ গুৰি ধৰি ব্ৰিটিছ সাম্ৰাজ্যত কঁপনি তুলিছিল। গৃহমন্ত্ৰী শ্ৰী শ্বাহে কয়, যে সমগ্ৰ দেশে এই বীৰ আৰু সাহসী যোদ্ধাসকলৰ প্ৰতি সদায়ে ঋণী হৈ থাকিব। ১৯২৫ চনৰ আজিৰ এই দিনটোত কাকৰি ৰেলৰে ষ্টেচনৰ সমীপত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এই উল্লেখযোগ্য ঘটনাটো সংঘটিত হৈছিল। হিন্দুস্তান ৰিপাব্লিকান এচছিয়েছনৰ বিপ্লবীসকলে আঠ নম্বৰ নামনিমুৰা ৰেলগাড়ীখন কাকৰি ষ্টেচনৰ সমীপত ৰখাই ব্ৰিটিছ ঔপনিৱেশিক চৰকাৰৰ কোষাগাৰৰ বাবে লৈ যোৱা বিশেষ ডবাৰ পৰা ধনৰাশি লুণ্ঠন কৰিছিল। এওঁলোকৰ ভিতৰত ৰামপ্ৰসাদ বিছমিল, আছফাকুল্লা খান, ঠাকুৰ ৰৌচন সিং, ৰাজেন্দ্ৰ নাথ লাহিৰি আৰু শচীন্দ্ৰ নাথ সন্যাল অন্যতম।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ কৰ্ণাটকলৈ যাব। ভ্ৰণন কালত শ্ৰী মোদীয়ে বেংগালুৰুৰ কে এছ আ ৰেলষ্টেচনত তিনিখন বন্দেভাৰত এক্সপ্ৰেছৰ পতাকা জোকাৰি যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই ৰেলগাড়ী কেইখন বেংগালুৰু-বেলাগাবি, অমৃতসৰৰ পৰা শ্ৰী মাতা বৈষ্ণদেৱী কাতৰা আৰু নাগপুৰ আৰু পুনেৰ মাজত চলাচল কৰিব। ইয়াৰ পাছত শ্ৰী মোদীয়ে বেংগালুৰ মেট্ৰৰ য়েল্লো লাইন মুকলি কৰি মেট্ৰ ৰেল যোগে আৰ ভি ৰোডৰ পৰা ইলেকট্ৰনিক ছিটি মেট্ৰ ষ্টেচনলৈ যাত্ৰা কৰিব। শ্ৰী মোদীয়ে লগতে বেংগালুৰুত বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ পাছত এখন ৰাজহুৱা সভাত অংশ লব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ১৫ হাজাৰ ৬১০ কোটিৰ অধিক মূল্যৰ বেংগালুৰ মেট্ৰৰ তৃতীয় পৰ্যায়ৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ অধীনত ৩১টা এলিভেটেড ষ্টেচনৰ সৈতে ৪৪ কিলোমিটাৰ মেট্ৰ ৰেল পথ নিৰ্মাণ কৰা হব।

০০০০০

উত্তৰ প্ৰদেশৰ বিভিন্ন ঠাইত কাকৰি ঘটনাটোৰ বাৰ্ষিকী উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে এই সাহসী ঘটনাটোৱে দেশৰ নাগৰিকসকলক অনুপ্ৰাণিত কৰি আছে বুলি প্ৰকাশ কৰিছে। বিপ্লবীসকলৰ সাহস, আত্মবলিদান আৰু দেশপ্ৰেমে আমাক সদায়ে ৰাষ্ট্ৰ প্ৰথম নীতিৰে কাম কৰি যাবলৈ উদ্বুদ্ধ কৰি যাব।

প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনিত ছেহগালে আজি লক্ষ্ণৌৰ কোকোৰো আৰ্ট গেলাৰীত এখন ঐতিহাসিক প্ৰদৰ্শনী মুকলি কৰে। কাকৰি ৰেল ঘটনাটোৰ শতবৰ্ষ হোৱা উপলক্ষে বিভিন্ন গুৰুত্বপূৰ্ণ দুৰ্লভ আলোকচিত্ৰ প্ৰদৰ্শন কৰা হৈছে।

ooooo

দেশৰ প্ৰতিৰক্ষা ৰপ্তানি বিগত বৰ্ষত ২৩ হাজাৰ কোটি টকা হয় আৰু অনাগত তিনি বছৰৰ ভিতৰত ইয়াৰ পৰিমাণ দুগুণ হব বুলি আশা কৰা হৈছে। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন বিভাগৰ সচিব তথা উন্নত প্ৰযুক্তিৰ প্ৰতিৰক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষ ড০ সমীৰ কামাতে এই কথা অৱগত কৰিছে। উন্নত প্ৰযুক্তিৰ প্ৰতিৰক্ষা প্ৰতিষ্ঠানৰ চতুৰ্দশ সমাৱৰ্তনত অংশ লোৱাৰ পাছত আজি পুনেত এখন সংবাদমেলত তেওঁ এই কথা প্ৰকাশ কৰে। ড০ কামাতে কয়, যে ভাৰতৰ প্ৰতিৰক্ষাৰ সা-সামগ্ৰী মধ্যপ্ৰাচ্য, আফ্ৰিকা আৰু দক্ষিণ এছিয়াৰ দেশসমূহত অধিক চাহিদা আছে। ব্ৰাহ্মোছ ক্ষেপনাস্ত্ৰৰ এটা ক্ষুদ্ৰ সংস্কৰণৰ বিকাশৰ কাম অব্যাহত থকাৰ লগতে জোৰাৱৰ লঘূ যুদ্ধ টেংকৰ নিৰ্মাণৰ কামো তীব্ৰগতিত অব্যাহত আছে। সমাৱৰ্তনত অংশ লৈ তেওঁ কয়, যে সিন্দূৰ অভিযানত ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে ডি আৰ ডি অই থলুৱাভাৱে বিকশাই তোলা ক্ষেপনাস্ত্ৰ, অস্ত্ৰ-শস্ত্ৰ আৰু আন সা-সঁজুলি ব্যৱহাৰ কৰাটো উল্লেখযোগ্য হিচাপে পৰিগণিত হৈছে। দেশ ক্ষেপনাস্ত্ৰ আৰু অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ উঠিবলৈ প্ৰতিৰক্ষা উদ্যোগ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ সহযোগত ১৫ টা উতকৃষ্ট কেন্দ্ৰ নিৰ্মাণ কৰি থকা হৈছে।

ooooo

বায়ু সেনাৰ মুৰব্বী, এয়াৰ ছীফ মাৰ্ছেল এ পি সিঙে কৈছে যে, সিন্দূৰ অভিযানত ভাৰতে পাকিস্তানৰ পাঁচখন যুজাৰু বিমান ভূ-পতিত কৰে। বেংগালুৰুত আজি ১৬ সংখ্যক এল এম কাত্ৰেই বক্তৃতানুষ্ঠানত অংশ লৈ তেওঁ কয়, যে ভাৰতে পাকিস্তান বিমান বাহিনীৰ ৫

খন যুঁজাৰু বিমানৰ লগতে উন্নত প্ৰযুক্তিৰ আন এখন বিমান ভূপতিত কৰে। বায়ুসেনাৰ মুৰব্বীগৰাকীয়ে কয়, যে ভাৰতৰ S400 বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই উল্লেখনীয় কাৰ্য কৰে।

০০০০০

দেশজুৰি আজি ভাতৃ আৰু ভগ্নীৰ মাজৰ পৱিত্ৰ বান্ধোনৰ উৎসৱ ৰাখীবন্ধন উদযাপন কৰা হৈছে। এই দিনটোত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ সুস্বাস্থ্য আৰু সমৃদ্ধি কামনা কৰে। বিনিময়ত ভাতৃসকলেও ভগ্নীৰ সুৰক্ষাৰ পণ লয় আৰু উপহাৰ দিয়ে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাখীবন্ধন উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত কয় যে এই পৱিত্ৰ উৎসৱে সমাজত একতা আৰু সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰে আৰু ভাতৃ-ভগ্নীৰ মাজত স্নেহ আৰু বিশ্বাসৰ অনন্য বান্ধোনক প্ৰতিফলিত কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে এই উৎসৱ মানৱীয় প্ৰমূল্য আৰু দেশৰ চহকী সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰাৰ উপলক্ষ। ৰাখী বন্ধনে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰা আৰু তেওঁলোকৰ প্ৰতি সন্মানৰ সংকল্প অদিক সুদৃঢ় কৰে বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰতিগৰাকী মহিলাই নিৰাপদ অনুভৱ কৰিব পৰা আৰু ৰাষ্ট্ৰৰ বিকাশত অৰিহণা যোগাব পৰা এখন সমৃদ্ধিশালী দেশ গঢ়ি তোলাৰ বাবে সকলোকে আহ্বান জনায়।

০০০০০

আজি শাওনৰ পবিত্ৰ ৰাখী পূৰ্ণিমা আৰু এই দিনটোতে উদযাপিত বিশ্ব সংস্কৃত দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে সংস্কৃত হৈছে অনন্ত জ্ঞানৰ উৎস আৰু সকলো ক্ষেত্ৰতে ইয়াৰ প্ৰভাৱ বিচাৰি পোৱা যায়। বিগত দশকত সংস্কৃতক জনপ্ৰিয় কৰি তুলিবলৈ চৰকাৰে বিভিন্ন কাম সম্পাদন কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ইযাৰ বাবে চৰকাৰে কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়সমূহৰ উপৰি সংস্কৃত শিক্ষণ কেন্দ্ৰ স্থাপন, সংস্কৃত পণ্ডিত-গৱেষকলৈ সাহাৰ্য প্ৰদান আৰু সংস্কৃত পুথিসমূহ ডিজিটেল কৰাৰ বাবে **জ্ঞান ভাৰতম্** অভিযান আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰৰ এনে ব্যৱস্থাই অগণন শিক্ষাৰ্থী আৰু গৱেষকক উপকৃত

কৰিছে। শ্ৰী মোদীয়ে লগতে সংস্কৃত শিকি ইয়াক বিশ্বজুৰি জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত কাম কৰি থকা প্ৰতিগৰাকী লোকক এই দিৱসে উৎসাহিত কৰি তুলিব।

০০০০০

২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ বাৰ্ষিক প্ৰতিৰক্ষা উৎপাদন পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ১ লাখ ৫১ হাজাৰ কোটি টকা হৈছে। এই পৰিমাণ যোৱা বছৰৰ ১ লাখ ২৭ হাজাৰ কোটি টকাতকৈ ১৮ শতাংশ অধিক। এই সাফল্যক প্ৰশংসা কৰিপ্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াক প্ৰতিৰক্ষা ঔদ্যোগিক আধাৰৰ সৰলীকৰণৰ স্পষ্ট সংকেত বুলি অভিহিত কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই সাফল্যৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰতিৰক্ষা উৎপাদন বিভাগ আৰু সংশ্লিষ্ট অন্য পক্ষসমূহৰ শলাগ লৈছে।

০০০০০

কেনিয়াৰ দক্ষিণ-পশ্চিম প্ৰান্তত আজি এটা অন্ত্যেষ্টিক্ৰিয়াৰ পৰা শোকাৰ্তসকলক ঘৰলৈ লৈ যোৱা এখন বাছ দূৰ্ঘটনাত পতিত হৈ কমেও ২৫ জন লোকৰ মৃত্যু হৈছে। কাকামেগা চহৰৰ পৰা কিছুমু চহৰলৈ যাত্ৰা কৰা বাছখন নিয়ন্ত্ৰণ হেৰুৱাই গাতত পৰাৰ ফলত দূৰ্ঘটনাটো সংঘটিত হৈছিল বুলি নিয়ানজা প্ৰদেশৰ এজন আঞ্চলিক ট্ৰেফিক বিষয়াই জানিবলৈ দিছে। কেনিয়াৰ আৰক্ষীয়ে উল্লেখ কৰা অনুসৰি দূৰ্ঘটনাত ১০ গৰাকী মহিলা, ১০ গৰাকী পুৰুষৰ লগতে এগৰাকী যুৱতীৰ ঘটনাস্থলীতে মৃত্যু হয়। কেনিয়াৰ ৰাষ্ট্ৰপতি উইলিয়াম ৰুটোৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত দুৰ্ঘটনাটোৰ সঠিক তদন্ত কৰি ঘটনাটোৰ বাবে দায়ী লোকসকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ আহ্বান জনায়।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কোকৰাঝাৰৰ ভাৰতীয় খেল প্ৰাধিকৰণৰ ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন গুৰুত্বপূৰ্ণ খেল অসমৰ বড়োলেণ্ড এফ চিয়ে পাঞ্জাব এফ চিক ১-০ গ'লত পৰাস্ত কৰি বৃহৎ অঘটন ঘটায়। খেলখনৰ ৬৯ মিনিটত কৰ্ণাৰ কিকৰ বল হেডেৰে ৰবিনচনে নিৰ্ণায়ক গ'লটো দিয়ে। বড়োলেণ্ড এফ চিয়ে এই জয়েৰে প্ৰতিযোগিতাত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি ৰাখিছে। কোকৰাঝাৰ দলটোৱে লীগ পৰ্যায়ৰ নিজৰ অন্তিমখন খেল ড্ৰ' খেলিলেও কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিব।

০০০০০

২০ বছৰ অনুৰ্দ্ধ সপ্তম এছিয় ৰাগবী প্ৰতিযোগিতা আজিৰে পৰা বিহাৰত আৰম্ভ হৈছে। ৰাজগীৰৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰকল্পত উদ্বোধনী খেল অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ পুৰুষৰ প্ৰথমখন খেলত শ্ৰীলংকাই হংকঙক পৰাস্ত কৰে। পুৰুষ শাখাত ভাৰতে বিজয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে। ২৪ পইণ্ট অৰ্জন কৰি ভাৰতে সংযুক্ত আৰব আমেৰী ৰাষ্ট্ৰক পৰাস্ত কৰে। পুৰুষ শাখাৰ আন এখন খেলত শ্ৰীলংকাই আয়োজক দেশ ভাৰতক পৰাস্ত কৰে। মহিলা শাখাৰ প্ৰথমখন খেলত ভাৰতৰ দলটোৱে কাজখস্তানক পৰাস্ত কৰে। ভাৰতৰ পুৰুষৰ দলটোক সুমিত কমাৰ ৰায়ে নেতৃত্ব দিয়াৰ বিপৰীতে ভূমিকা ছুকলাই মহিলাৰ দলটোক নেতৃত্ব দিছে। ৯ খন দেশৰ ১৬ টা দলে এই প্ৰতিযোগিতাত অংশ লৈছে। ভাৰতৰ লগতে চীন, হংকং, সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰ, কাজখস্তান, উজবেকিস্তান, শ্ৰীলংকা, মালয়েছিয়া আৰু নেপালৰ ১৯২ গৰাকী প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

**সমাপ্ত**